# চাইলেজ পদ্ধতিৰে কৰিব পাৰি ঘাঁহ সংৰক্ষণ

গোটেই বছৰজুৰি প্ৰয়োজন অনুসাৰে গৰু-ম'হৰ আহাৰ যোগান ধৰাটো আমাৰ এটা ডাঙৰ সমস্যা। বিশেষজ্ঞসকলে ঘাঁহ শুকুৱাই সংৰক্ষণ কৰাৰ উপৰিও কেঁচা আৰু সেউজীয়া অৱস্থাতে সংৰক্ষণ কৰাৰ ব্যৱস্থা উলিয়াইছে। এনেভাৱে ৰখা ঘাঁহকেই Silage বোলা হয়।

শীতকালত যেতিয়া সেউজীয়া ঘাঁহৰ নাটনিয়ে দেখা দিয়ে সেই সময়লৈ লক্ষ্য ৰাখি জহকালিতেই সেউজীয়া কেঁচা ঘাঁহ কেইবাটাও প্ৰণালীৰে সংৰক্ষণ কৰি ৰাখিব পাৰি। আমাৰ গ্ৰাম্য অঞ্চলত সহজ উপায়ে সংৰক্ষণ প্ৰণালীৰ বিষয়ে দু-আষাৰ জনোৱা হ'ল ঃ-

**১। ঘূৰণীয়া গাঁতত ৰখা প্ৰণালী ঃ** ওখ পানী আবদ্ধ নথকা ঠাইত ৬/৭ ফুট মান দ' আৰু ৮-১০ ফুট বহলৰ একোটা ঘূৰণীয়া গাঁত খান্দি ল'ব লাগে। লক্ষ্য ৰাখিব যাতে গাঁতৰ ভিতৰলৈ কোনো ফালৰ পৰা পানী সোমাব নোৱাৰে। সংৰক্ষণ কৰিবলৈ লোৱা ঘাঁহখনিতে যাতে গাঁতৰ মাটিৰ সংস্পৰ্শত নাহে তাৰ বাবে গাঁতটোৰ চাৰিওকাষে আৰু তলত খেৰ জাতীয় কিছু ঘাঁহ দিয়াটো ভাল। তাৰ পিচত ঘাঁহ ভালকৈ জাপি দিব লাগে। জাপি দিওঁতে মন কৰিব লাগে যাতে ঘাঁহখিনি আটিলভাৱে জাপি তাত থকা বায়ুখিনি যিমান দূৰ পৰা যায় উলিয়াই দিয়া হয়। এই আকাৰৰ গাঁতবোৰত ৫/৬ দিনৰ ভিতৰত ঘাঁহ ভৰাই সম্পূৰ্ণ কৰাটো ভাল। মাটিতকৈ প্ৰায় দুফুটমান ওপৰলৈ ঘাঁহখিনি আটিলকৈ জাপি আনিব লাগে। তাৰ পিচত গাঁতটো ভালকৈ মাটিৰে লেপ দি বতাহ আৰু পানী সোমাব নোৱাৰাকৈ বন্ধ কৰি দিব লাগে। অসমত প্ৰায় এনে ধৰণেই সংৰক্ষণ কৰা হয়।

ছাইলেজৰ উপযোগী ঘাঁহসমূহ ঃ ছাইলেজ কৰিবলৈ গো-পালকসকলে সাধাৰণতে গোমধানৰ গছ, গিনি ঘাঁহ, নেপিয়াৰ ঘাঁহ, ৰিণা, পেনিচিটাম, পেডিকেলিয়াটাম অথবা থলুৱা দীঘল পাতৰ মিহলি ঘাঁহ আদিয়েই ব্যৱহাৰ কৰে। লক্ষ্য ৰাখিব লাগে যাতে সংৰক্ষণ কৰিবলৈ লোৱা ঘাঁহবোৰ ফুলা বা গুটি ধৰাৰ আগতে কটা হয়। গোমধানৰ গছ, ৰীণা, নেপিয়াৰ আদি ঘাঁহৰ ঠাৰিসহ (ছেফিং মেচিনৰ দ্বাৰা) টুকুৰাকৈ কাটি দিব লাগে। নহ'লে এই জাতীয় ঘাঁহ আটিলকৈ জাপিবও নোৱাৰি আৰু খুৱাওঁতে গৰু-ম'হে ঠাৰিবোৰ খাবলৈ ভাল নেপায়।